পূৰ্ণ প্ৰতিযোগিতা বজাৰক একচেটিয়া ব্যৱসায়ৰ সৈতে তুলনা কৰা।

Scanned with CamScanner

ধৰণে তুলনা কৰিব পাৰি ঃ

(i) পূৰ্ণ প্ৰতিযোগিতাত বহুসংখ বিক্ৰেতা থাকে, কিন্তু একচেটিয়া বজাৰত মাত্ৰ এজনহে বিক্ৰেতা থাকে।

(ii) পূৰ্ণ প্ৰতিযোগিতাত গড় (AR) আৰু প্ৰান্তিক (MR) বিক্ৰী আয় ৰেখা উভয়েই একে (অভিন্ন), সৰল আৰু আনুভূমিক। কিন্তু একচেটিয়া বজাৰত গড় (AR) আৰু (MR) প্ৰান্তিক বিক্ৰী আয় ৰেখা উভয়েই নিম্নগামী হয় আৰু প্ৰান্তিক বিক্ৰী আয় (MR) গড় বিক্ৰী আয় (AR) ৰেখাৰ তলত থাকে। ইয়াৰ উপৰি, একচেটিয়া ব্যৱসায়ীয়ে দৰ হ্ৰাস কৰিহে অধিক বিক্ৰী কৰিব পাৰে।

(iii) পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত প্ৰতিষ্ঠানৰ বজাৰ যোগানৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাথাকে, কিন্তু একচেটিয়া ব্যৱসায়ীৰ বজাৰ যোগানৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ থাকে।

(iv) পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত দীৰ্ঘকালত উৎপাদন প্ৰতিষ্ঠানৰ প্ৰতিযোগিতাৰ প্ৰভাৱত কোনো প্ৰতিষ্ঠানৰে অধিক লাভ আহৰণ কৰাৰ সুযোগ নাথাকে। আনহাতে, একচেটিয়া ব্যৱসায়ত দীৰ্ঘকালত উৎপাদন প্ৰতিষ্ঠানে অতিৰিক্ত লাভ অৰ্জন কৰা সম্ভৱ।

(v) পূৰ্ণ প্ৰতিযোগিতাত প্ৰতিষ্ঠানৰ ভাৰসাম্যৰ চৰ্ত হ'ল—
প্ৰান্তিক ব্যয় (MC) = প্ৰান্তিক বিক্ৰী আয় (MR) = গড় বিক্ৰী আয় (AR) বা দৰ (Price) = গড় ব্যয় (AC); আনহাতে, একচেটিয়া ব্যৱসায়ত ভাৰসাম্যৰ চৰ্ত হ'ল—
প্ৰান্তিক ব্যয় (MC) = প্ৰান্তিক বিক্ৰী আয় (MR)।

Scanned with CamScanner